# REGIONAL NEWS UNIT
# AKASHVANI : GUWAHATI
# 0000000000

**Date :** 29-03-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰে। ডিব্ৰুগড় নগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ কনভয় ৰোডত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰায় ৩৭ কোটি টকা ব্যয় সাপেক্ষে বিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আজি অনুষ্ঠিত মাংগলিক অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মন্ত্ৰী প্ৰশান্ত ফুকন আৰু বিভিন্ন নিকায় নিগমৰ অধ্যক্ষ-উপাধ্যক্ষ উপস্থিত থাকে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা ডিব্ৰুগড়ৰ চৌকিডিঙিত ডাক বিভাগৰ ভৱনত অস্থায়ীভাৱে কেন্দ্ৰীয় বিদ্যালয়খনৰ পাঠদান চলি আহিছে।

০০০

ৰাজ্য চৰকাৰৰ অসম দৰ্শন আঁচনিৰ ২০২৪-২৫ বৰ্ষৰ অধীনত আজি গোলাঘাট জিলাৰ বোকাখাতত মন্ত্ৰী অতুল বৰাই হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰে। বোকাখাত সমষ্টি বিধেয়কৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত মন্ত্ৰী শ্ৰীবৰাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ১৯৫টা উপাসনাস্থলী নামঘৰ, থান, মঠ-মন্দিৰ, গীৰ্জাঘৰ, মছজিদলৈ এক লাখ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য চেক বিতৰণ কৰে। অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ হৈ সভাপতি, সম্পাদক আৰু প্ৰতিনিধিয়ে মন্ত্ৰীগৰাকীৰ পৰা চেক গ্ৰহণ কৰে।

০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ গোগামুখত আয়োজিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত মন্ত্ৰী ডাঃ পেগুৱে জিলাখনত বন অধিকাৰ আইন ২০০৬ৰ অধীনত খিলঞ্জীয়া লোকক ভূমি অধিকাৰ প্ৰদান কৰিবলৈ লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীৰ লগতে লখিমপুৰ সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু জোনাইৰ বিধায়ক ভুবন পেগুৱে অংশগ্ৰহণ কৰে। ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই বৈঠকত জিলা বন বিভাগৰ বিষয়া, ৰাজহ চক্ৰ বিষয়া, উন্নয়ন খণ্ডসমূহৰ বিষয়া, আই টি ডি পি বোৰ্ডৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ বিষয়াববীয়া উপস্থিত থাকে।

০০০

মন্ত্ৰী ৰূপেশ গোৱালাই আজি তিনিচুকীয়া জিলাৰ ডুমডুমা এফ আৰ ইউ হাস্পতালত ৰাইজৰ সেৱাৰ বাবে এখন এম্বুলেন্স মুকলি কৰে। এই এম্বুলেন্স সেৱাৰ জৰিয়তে ৰাইজৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰিব বুলি মন্ত্ৰী শ্ৰীগোৱালাই আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে হাস্পতালখন পৰিদৰ্শন কৰি যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য উপস্থিত থাকে।

০০০

ৰাজ্যৰ তথ্য প্ৰযুক্তি বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই আজি যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰযুক্তি সমাৰোহ টোকনোভাছ মুকলি কৰে। কৃত্ৰিম বুদ্ধিমত্তাক মূল বিষয়বস্তু হিচাপে লৈ এই সমাৰোহৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত অভিযান্ত্ৰিক মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ ৰূপম বৰুৱাৰ লগতে কেইবাগৰাকীও অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০

পশ্চিম কাৰ্বি আংলঙৰ আমৰিত অনুষ্ঠিত কাৰ্বি আংলং প্ৰাথমিক শিক্ষক সন্থাৰ ৩৫ সংখ্যক ত্ৰিবাৰ্ষিক অধিৱেশনৰ আজি অন্তিম দিনা মুকলি সভা আয়োজিত হয়। এই মুকলি সভাত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকে।

০০০

ধেমাজী জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী গেৰুকামুখত নিৰ্মীয়মান সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত অৱস্থাত আজি এগৰাকী শ্ৰমিকৰ মৃত্যু হয়। শ্ৰমিকজন গোগামুখৰ ওখমাটি বদতিৰ অৱিনাশ দলে বুলি জানিব পৰা গৈছে। পাৱাৰ হাউচত কাম কৰি থকা অৱস্থাত সুউচ্চ স্থানৰ পৰা তললৈ পৰি যোৱাৰ ফলত শ্ৰমিকজনৰ মৃত্যু হয়। উল্লেখযোগ্য যে অহা মাহত এই প্ৰকল্পটোৰ পৰা ৭০০ মেগাৱাট শক্তি উৎপাদনৰ লক্ষ্যৰে এন এইচ পি চি কৰ্তৃপক্ষই নিৰ্মাণকাৰ্য দ্ৰুত গতিত চলাই আছে।

০০০

লখিমপুৰ লালুক ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি একবিংশ অচ্যুত বৰুৱা সোৱৰণি সদৌ অসম আন্তঃজিলা ছিনিয়ৰ মহিলা হেণ্ডবল প্ৰতিযোগিতাৰ উদ্বোধন কৰা হয়। লখিমপুৰ জিলা হেণ্ডবল সন্থাৰ উদ্যোগত তথা লখিমপুৰ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু লালুক ক্ৰীড়া সন্থাৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতাত প্ৰতিযোগিতাখনৰ সভাপতি, সম্পাদক, তথা অসম হেণ্ডবল এছোছিয়েছনৰ সভাপতি লক্ষ্য কোঁৱৰ, যুৱ আয়োগৰ সদস্য ঋষিৰাজ হাজৰিকা আৰু বিধায়ক মানৱ ডেকাৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব। খেলখনৰ পূৰ্বে আজি অনুষ্ঠিত সংবাদমেলত ৰাজস্থান ৰয়েলছৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে ৰিয়ান পৰাগক উচ্চ প্ৰশংসা কৰে। প্ৰথম দুখন খেলত পৰাজিত হ'লেও ৰিয়ান পৰাগৰ নেতৃত্ব ভাল হৈছে বুলি তেওঁ শলাগ লয়। ৰিয়ান পৰাগে বেছি বল খেলিবলৈ পালে দলৰ বাবেই লাভজনক হ'ব বুলি প্ৰশিক্ষকগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ৰিয়ান পৰাগে ৩ নম্বৰ ক্ৰমত বেটিং কৰাটো দলৰ বাবে যোগাত্মক দিশ। উল্লেখযোগ্য যে কাইলৈৰ খেলত অংশগ্ৰহণৰ বাবে আজি সন্ধিয়া চেন্নাই ছুপাৰ কিংছ গুৱাহাটীত উপস্থিত হ'ব। প্ৰাক্তন আন্তৰ্জাতিক ক্ৰিকেটাৰ মহেন্দ্ৰ সিং ধোনীৰ দৰে তাৰকাসমৃদ্ধ দলটো বিশেষ বিমানযোগে বৰঝাৰ বিমান বন্দৰত উপস্থিত হ'ব।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

সমাপ্ত